**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২৪-২৫ বৰ্ষৰ সন্মানীয় স্বচ্ছ সৰ্বেক্ষণ বঁটাসমূহ প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনাৰ অধীনত দেশৰ কৃষকসকলৰ জীৱনলৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অনাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি জয়পুৰৰ সমীপৰ ডাডিয়া গাঁৱত আয়োজিত সহযোগিতা তথা ৰোজগাৰ উৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে জয়পুৰলৈ যাব।

৪। ভাৰতৰ অনন্য পৰিচয় প্ৰাধিকৰণ- UIDAI এ শুদ্ধ আৰু সংহত তথ্যৰ বাবে মৃত লোকসকলৰ আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰাৰ ব্যৱস্থা লৈছে।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত কালি নিশা ভাৰতে ঘৰুৱা দলটোক চাৰি উইকেটত পৰাস্ত কৰে।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২৪-২৫ বৰ্ষৰ সন্মানীয় স্বচ্ছ সৰ্বেক্ষণ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত নগৰ অঞ্চলত স্বচ্ছ ভাৰত অভিযানৰ অধীনত দেশৰ সবাতোকৈ পৰিষ্কাৰ চহৰখনক সম্বৰ্ধনা জনোৱা হ'ব। এইবাৰ চাৰিটা শিতানত বঁটাসমূহ প্ৰদান কৰা হ'ব। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এইবাৰ বিভিন্ন শিতান সামৰি ৭৮ টা বঁটা প্ৰদান কৰা হ'ব। মন্ত্ৰ্যালয়ে কৈছে যে ২০২৪-২৫ বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণত নগৰ অঞ্চলত স্বচ্ছতা আৰু সেৱা প্ৰদান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এটা স্মাৰ্ট আৰু গাঁথনিগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে, যাৰ জৰিয়তে সম্পূৰ্ণ অনাময় ব্যৱস্থা আৰু আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা সুনিশ্চিত কৰাৰ দিহা কৰা হৈছে।

ooooooooo

দেশৰ কৃষকসকলৰ জীৱনলৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অনাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনা এই লক্ষ্যৰ দিশে আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। সামাজিক মাধ্যম এক্সৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে ইয়াৰ জৰিয়তে অকল কৃষি ক্ষেত্ৰত পিছপৰি থকা জিলাসমূহত শস্য উৎপাদন বৃদ্ধি কৰাই নহয়, বৰং কৃষকসকলৰ উপাৰ্জন বৃদ্ধিতো সহায়ক হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ২০২৫-২৬ বৰ্ষৰ বাবে ১০০ খন জিলাক সামৰি ছবছৰৰ বাবে প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনত অনুমোদন জনাইছে। এই আঁচনিৰ উদ্দেশ্য হৈছে কৃষিজাত উৎপাদন বৃদ্ধি কৰা, শস্যৰ বিবিধতা আৰু বহনক্ষম কৃষি পদ্ধতি বৃদ্ধি কৰা, পঞ্চায়ত আৰু খণ্ড পৰ্যায়ত শস্য চপোৱাৰ পাছত উৎপাদিত সামগ্ৰী মজুতকৰণ ব্যৱস্থা তথা জলসিঞ্চন ব্যৱস্থা উন্নীত কৰা আৰু ঋণ লোৱাৰ ব্যৱস্থা সৰল কৰা। প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনাৰ অধীনত ১০০ খন জিলাৰ বিকাশৰ উদ্দেশ্যে ২০২৫-২৬ বৰ্ষৰ বাজেট প্ৰস্তাৱৰ অংশ হিচাপে এই আঁচনি ঘোষণা কৰা হৈছিল। বৰ্তমানে ১১ টা বিভাগত ৰূপায়ণ হৈ থকা ৩৬ খন আঁচনিৰ লগতে অন্যান্য ৰাজ্যিক পৰ্যায়ৰ আঁচনি আৰু ব্যক্তিগত খণ্ডৰ সৈতে স্থানীয় অংশীদাৰিত্ব থকা আঁচনিৰ সৈতে একত্ৰিত কৰি এই আঁচনিখন ৰূপায়ণ কৰা হ'ব। এই আঁচনিৰ বাবে নিম্ন মানৰ উৎপাদন, একেডোখৰ কৃষি ভূমিতে শস্য ৰোপণৰ ক্ষমতা হ্ৰাস আৰু কম পৰিমাণৰ ঋণ বিতৰণ- এই তিনিটা মূল বিষয়ৰ আধাৰত জিলাসমূহ চিনাক্ত কৰা হ'ব। এই আঁচনিয়ে দেশৰ ১ কোটি ৭০ লাখ কৃষকক সহায় কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে নৱীকৰণযোগ্য শক্তি, ক্ষমতা শক্তিশালী কৰাত ভাৰতৰ প্ৰয়াসত এই আঁচনিয়ে যথেষ্ট অৰিহণা আগবঢ়াব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি জয়পুৰৰ সমীপৰ ডাডিয়া গাঁৱত আয়োজিত সহযোগিতা তথা ৰোজগাৰ উৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে জয়পুৰলৈ যাব। শ্ৰী শ্বাহে এখন বিশাল জনসভাত ভাষণ দিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ বিভিন্ন বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা ৮ হাজাৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰও বিতৰণ কৰিব। তেওঁ লগতে বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত প্ৰমাণপত্ৰ আৰু চেক বিতৰণ কৰাৰ লগতে কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্পৰ উদ্বোধন কৰিব। একেটা অনুষ্ঠানতে শ্ৰী শ্বাহে গোপাল ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনৰ এহেজাৰ ৪০০ গৰাকী হিতাধিকাৰীক প্ৰায় ১২ কোটি টকাৰ ঋণ বিতৰণ কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ শ্বেত বিপ্লৱ পি ডি চি এছ অনলাইন পঞ্জীয়ন মঞ্চও মুকলি কৰিব। মন্ত্ৰীগৰাকীয়ে আৰক্ষী চকী, সশস্ত্ৰ বাহিনী তথা বিভিন্ন প্ৰশিক্ষণত ব্যৱহাৰ হ'বলগীয়া ১০০ খন নতুন আৰক্ষী বাহনৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে।

০০০০০০০০০

চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২১ জুলাইত আৰম্ভ হ'ব আৰু ২১ আগষ্টত অন্ত পৰিব। এই অধিৱেশনৰ সময়ছোৱাত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সন্দৰ্ভত সদনত আলোচনা কৰা হ'ব।

০০০০০০০০০

পলাবৰম বানাকাচেৰলা সংযোগ প্ৰকল্পত  তথা তেলেংগানা আৰু অন্ধ্ৰ প্ৰদেশৰ মাজৰ  আন্তঃৰাজ্যিক জল বিষয়সমূহ পৰীক্ষণৰ বাবে কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্য্যয়ৰ কাৰীকৰী সমিতি গঠনৰ সিদ্ধান্ত লৈছে। কালি নতুন দিল্লীত কেন্দ্ৰীয়  জল শক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত  অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেবনাথ ৰেড্ডীৰ উপস্থিতিত অনুষ্ঠিত উচ্চ পৰ্য্যায়ৰ  বৈঠকত এই সিদ্ধান্ত লোৱা হয়। জলশক্তি  মন্ত্ৰালয়ে কৈছে যে এই সমিতি দুয়োখন ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উচ্চ পৰ্যায়ৰ বিষয়াসমূহৰ লগতে কাৰিকৰী বিষেষজ্ঞসমূহেৰে গঠিত হ'ব। সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সমিতিয়ে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ আৰু পৰামৰ্শ প্ৰদানৰ  লগতে দয়ো ৰাজ্যৰ বাবে নায্য আৰু  সম পৰিমানৰ পানীৰ যোগান নিশ্চিত কৰিব। এই বৈঠকত জল ব্যৱস্থাপনা সন্দৰ্ভত উদ্ভৱ হোৱা মূল বিষয়সমূহো উত্থাপন কৰা হয়।
বৈঠকত দুয়োখন ৰাজ্যই কৃষ্ণা অৱবাহিকাৰ পানী প্ৰৱাহৰ বাস্তৱ সময় নিৰীক্ষণৰ বাবে টেলিমেট্ৰি ডিভাইচ সংযোগতো ঐক্যমত পোষণ কৰে । শ্ৰীচাইলাম বান্ধৰ চোৱাচিতা বিষয়সমূহক লৈও তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবেদও দুয়োখন ৰাজ্যই সন্মতি প্ৰকাশ কৰে।  কৃষ্ণা নদী পৰিচালনা ব'ৰ্ড বিজয়ৱাড়া অমৰাৱতীলৈ স্থানান্তৰৰ ক্ষেত্ৰতো দুয়োখন ৰাজ্য ঐক্যমতত উপনীত হয়।

০০০০০০০০০

ভাৰতৰ অনন্য পৰিচয় প্ৰাধিকৰণ- UIDAI এ শুদ্ধ আৰু সংহত তথ্যৰ বাবে মৃত লোকসকলৰ আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰাৰ ব্যৱস্থা লৈছে। এই ব্যৱস্থাৰ অধীনত প্ৰাধিকৰণে ভাৰতৰ মহা পঞ্জীয়কৰ সৈতে ১ কোটি ৫৫ হাজাৰ মৃত লোকৰ আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে।

ইলেকট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে মহা পঞ্জীয়কে ২৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অসামৰিক পঞ্জীয়ন ব্যৱস্থা - চি আৰ এছ ব্যৱহাৰ কৰি প্ৰায় ১ কোটি ৫৫ হাজাৰ মৃত লোকৰ তথ্য পঞ্জীয়ন কৰিছে।

০০০০০০০০০

ভাৰত আৰু আমেৰিকাৰ মাজত চলি থকা বহু প্ৰত্যাশিত অন্তৰৰ্তীকালীন বাণিজ্যৰ আলোচনা শীঘ্ৰে ছীল কৰা হ'ব পাৰে বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে উল্লেখ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে এই আলোচনা আশা কৰা ধৰণে চলি আছে আৰু প্ৰস্তাৱিত চুক্তিয়ে

আমেৰিকা আৰু ইন্দোনেছিয়াৰ মাজত হোৱা বাণিজ্যিক চুক্তিৰ সৈতে সংগতি ৰাখি আমেৰিকান কোম্পানীসমূহক ভাৰতীয় বজাৰত প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব। তেওঁ কয়, যে ইন্দোনেছিয়াত আমেৰিকাৰ প্ৰৱেশৰ সম্পূৰ্ণ সুবিধা আছে আৰু ভাৰতেও মূলতঃ সেই একেধৰণৰ কামকে কৰি আছে।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত কালি নিশা ভাৰতে ঘৰুৱা দলটোক চাৰি উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ৫০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ২৫৮ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ ছফিয়া ডাংকলেই ৯২ টা বলত ৮৩ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌৰ আৰু স্নেহ ৰানাই দুটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিৰ্ধাৰিত অ'ভাৰ শেষ হ'বলৈ ১০ টা অ'ভাৰ বাকী থকা অৱস্থাতে বিজয় লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ ৬২ ৰান কৰি অপৰাজিত হৈ থকা দিপ্তী শৰ্মাক প্লেয়াৰ অব্ দা মেচ ঘোষণা কৰা হয়। জেমিমা ৰড্ৰিগ্‌জে ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। এই জয়েৰে ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল অহা শনিবাৰে লণ্ডনৰ লৰ্ডচত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২২ জুলাইত চেষ্টাৰ-লী-ষ্ট্ৰীটত অনুষ্ঠিত হ'ব।

০০০০০০০০০

ৱেষ্ট ইণ্ডিজৰ তাৰকা খেলুৱৈ অল ৰাউণ্ডাৰ আন্দ্ৰে ৰাছেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ ল'ব। খেলুৱৈগৰাকীয়ে অহা ২০ আৰু ২২ জুলাইত ঘৰুৱা খেলপথাৰ ছাবিনা পাৰ্কত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে টী-২০ৰ প্ৰথম দুখন খেলত অংশগ্ৰহণেৰে তেওঁৰ অন্তিম দুখন আন্তঃৰাষ্ট্ৰীয় খেল খেলিব। উল্লেখযোগ্য যে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টী-২০ শৃংখলাৰ প্ৰথম দুখন খেলৰ বাবে গঠন কৰা ৱেষ্ট ইণ্ডিজৰ ১৬ জনীয়া দলটোত ৰাছেলক অন্তৰ্ভুক্ত কৰা হৈছে। অহা দেওবাৰে আৰম্ভ হ'বলগীয়া এই খেলত ৰাছেলে মেৰুণ জাৰ্ছী পিন্ধি ৱেষ্ট ইণ্ডিজ দলক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০০০

**সমাপ্ত**